

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

দশম শ্ৰেণীৰ বাবে

ইতিহাস

পাঠ - ৪

ভাৰতৰ স্বাধীনতা আন্দোলন আৰু অসমত জাতীয় জাগৰণ

অংশ – ৯

অনামিকা দাস

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। স্বদেশী আন্দোলনত অসমৰ ভূমিকাৰ বিষয়ে সংক্ষিপ্ত বিৱৰণ দিয়া।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- স্বদেশী আন্দোলনৰ সময়ত অসমৰ ভূমিকা উল্লেখ কৰা হ'ল—

(i) ১৮৮৪ চনত জগন্নাথ বৰুৱাৰ নেতৃত্বত গঠন হোৱা যোৰহাট সার্বজনিক সভাই বংগ ভংগৰ তীব্র বিৰোধিতা কৰিছিল। পূর্ববংগৰ সৈতে অসমক সাঙুৰিলে অসমৰ ভৱিষ্যত বিপদাপন্ন হ'ব বুলি মতামত আগবঢ়াইছিল। পিছলৈ অৱশ্যে চৰকাৰৰ প্রৰোচনাত পৰি সভাপতি জগন্নাথ বৰুৱাই বংগভংগ বিৰোধী মনোভাৱ ত্যাগ কৰিছিল। এই সভাই নতুন প্রদেশত অসমীয়াৰ অধিকাৰ সংৰক্ষণ কৰিবলৈ দাবী জনাইছিল।

(ii) ১৯০৩ চনত মাণিক চন্দ্র বৰুৱাৰ নেতৃত্বত গঠিত হোৱা আছাম এছ'চিয়েচনেও বংগ বিভাজনৰ বিৰোধিতা কৰিছিল। এই ক্ষেত্রত, অসমক পূৱ বংগৰ পৰা পৃথক কৰিবলৈ ১৯০৭ চনত আছাম এছ'চিয়েচনে চৰকাৰৰ ওচৰত স্মাৰকপত্র দাখিল কৰিছিল।

(iii) পদ্মনাথ গোহাঞি বৰুৱা, অম্বিকাগিৰী ৰায়চৌধুৰী, ত্রিগুণা বৰুৱা, ৰক্তিম বৰা প্রমুখ্যে বহুকেইজন স্বনামধন্য ব্যক্তিয়ে আৰম্ভণিৰে পৰা বংগ বিভাজনৰ বিৰোধিতা কৰি আহিছিল।তেওঁলোকে অসমত ইয়াৰ বিৰুদ্ধে প্রচাৰ চলাইছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(iv) অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ধুবুৰী, গৌৰীপুৰ, গোৱালপাৰা, গুৱাহাটী, তেজপুৰ, ডিব্ৰুগড় আদি নগৰত এই আন্দোলনৰ প্ৰভাৱ পৰিছিল। অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰী আৰু গোবিন্দ লাহিড়ীয়ে গুৱাহাটীৰ ছাত্ৰসকলৰ মাজত বিদ্ৰোহী সংগঠনৰ জন্ম দিছিল।তেওঁলোকে অসমত স্বদেশী বস্তুসমূহৰ ব্যৱহাৰৰ পক্ষে প্ৰচাৰ চলাইছিল। তাৰ ফলস্বৰূপে অসমৰ মানুহে নিমখৰ সলনি খাৰ, বেনাৰসৰ চেনী, থলুৱা এড়ী, মুগা, কপাহী আৰু খাদী বস্ত্ৰ ব্যৱহাৰ কৰিছিল।

(v) গুৱাহাটীত এদল ছাত্ৰই সপ্তাহত দুদিন জাহাজঘাটত কুলীৰ কাম কৰি উপাৰ্জন কৰা ধন স্বদেশী আন্দোলনলৈ দান দিছিল।

(vi) অম্বিকাগিৰী ৰায়চৌধুৰীয়ে "বন্দিনী ভাৰত" নামৰ এখন বিদ্রোহী নাটকৰ জৰিয়তে আন্দোলনৰ প্রচাৰ চলাইছিল। অৱশ্যে পুলিচে এই নাটকৰ পাণ্ডুলিপি তেওঁৰ পৰা বাজেয়াপ্ত কৰে। ক্ষুদীৰাম বসু, বাৰীন্দ্র ঘোষ, উল্লাস কৰ দত্তৰ লগত যোগাযোগ কৰি সেৱা সংঘ নামৰ এটা বিপ্লৱী সংগঠন জন্ম দিছিল।

(vii) ১৯০৬ চনৰ ৭ চেপ্তেম্বৰত ব্রিটিছ বিষয়া ব্যামফিল্ড ফুলাৰক হত্যাৰ উদ্দেশ্যে গুৱাহাটী-শ্বিলং পথত এটা বোমা পুতিছিল। পুলিচে সন্ধেদ পাই অম্বিকাগিৰীক আটক কৰে আৰু ১৯১৪ চনলৈকে ৰৰপেটাত অন্তৰীণ বন্দী হিচাপে থাকিব লগা হৈছিল।

(viii) ব্রিটিছ চৰকাৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনতাক এই আন্দোলনৰ প্ৰভাৱ পৰা আঁতৰাই কৰি ৰাখিবলৈ কিছুমান সা-সুবিধা প্ৰদান কৰিছিল—

Ø অসমীয়া ভাষা সাহিত্য কলিকতা বিশ্ববিদ্যালয়ৰ এন্ট্ৰেন্স পৰীক্ষাৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা।

Ø কটন কলেজৰ সকলো বিভাগতে স্নাতক মহলাৰ শ্ৰেণীৰ ব্যৱস্থা কৰা।

Ø ব্ৰহ্মপুত্ৰ উপত্যকাত মৌজাদাৰী ব্যৱস্থাৰ পুনৰ প্ৰয়োগ কৰা।

Ø মাটিত কুৰিদফীয়া বন্দোৱস্তিৰ প্ৰৱৰ্তন কৰা।

(ix) ইয়াৰ উপৰিও সুৰমা ভেলী এছ'চিয়েচনৰ নেতৃত্বত সুৰমা উপত্যকাত এই আন্দোলন যথেষ্ঠ জনপ্ৰিয়হৈ পৰিছিল।

ফলস্বৰূপে শ্ৰীহট্ট, হৰিগঞ্জ, শ্ৰীমংগল, লখাই, কৰিমগঞ্জ, শিলচৰ আদি ঠাইত জাতীয় বিদ্যালয় স্থাপন কৰা হৈছিল।



৮। অসহযোগ আন্দোলনত অসমৰ ভূমিকা সম্পর্কে এটি খতিয়ান দাঙি ধৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভাৰতীয় স্বাধীনতা অন্দোলনৰ ইতিহাসত অসহযোগ আন্দোলন এটা গুৰুত্বপূৰ্ণ অধ্যায়। ভাৰতীয় জাতীয় কংগ্রেছৰ নেতৃত্বত ১৯২০ চনৰ পৰা ১৯২২ চনলৈ এই আন্দোলন চলিছিল। এই আন্দোলনে অসমখনকো বাৰুকৈ প্রভাৱিত কৰিছিল।

(i) বিশেষকৈ ১৯২১ চনৰ জুন মাহত অসম প্রদেশ কংগ্রেছ কমিটি গঠন হোৱাৰ পিছতে অসমত এই আন্দোলনৰ জোৰ বাঢ়িল আৰু অতি সোনকালেই ই সৰ্বভাৰতীয় আন্দোলনৰ সৈতে জড়িত হৈ পৰিল। সেই সময়ত অসম প্রদেশ কংগ্রেছ কমিটিৰ সভাপতি আৰু সম্পাদক আছিল। ক্রমে কুলধৰ চলিহা আৰু নবীন চন্দ্র বৰদলৈ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(ii) ১৯২১ চনত মহাত্মা গান্ধীৰ অসম আগমনে এই আন্দোলনক অধিক জনপ্রিয় কৰি তোলে। গান্ধীজীৰ আহ্বানক্রমে জনসাধাৰণে বিদেশী বস্ত্র আৰু সা-সামগ্রী বর্জন কৰি সেইবোৰ একেলগে গোটাই জুই লগাই দিছিল।

(iii) চন্দ্রনাথ শর্মা, হেমচন্দ্র বৰুৱা, অমিয় কুমাৰ দাস, মহিবুদ্দিন আহমেদ আদিৰ নেতৃত্বত অসমৰ যুৱকসকলে চৰকাৰী শিক্ষানুষ্ঠানসমূহ বর্জন কৰি এই আন্দোলনত অংশ গ্রহণ কৰিছিল। তাৰোপৰি লক্ষীধৰ শর্মা, ৰোহিনীকান্ত হাতীবৰুৱা, বিমলাকান্ত বৰুৱা, কনক চন্দ্র বৰুৱা, বেণুধৰ শর্মা, তিলক শর্মা আদিৰ দৰে স্বনামধন্য ব্যক্তিও এই আন্দোলনৰ বাটকটীয়া হৈ জনতাক নেতৃত্ব দিছিল।

(iv) ছাত্রসকলক অনুসৰণ কৰি নবীন চন্দ্র বৰদলৈ, তৰুণ ৰাম ফুকন, কুলধৰ শর্মা, বিষ্ণুৰাম মেধি আদি উকিলসকলেও ওকালতি ত্যাগ কৰি আন্দোলনত ভাগ লৈছিল।

(v) আন্দোলনৰ প্রভাৱত গুৱাহাটী, যোৰহাট, নলবাৰী, তেজপুৰ শিৱসাগৰ, নগাঁও, কৰিমগঞ্জ আদি বিভিন্ন অঞ্চলত এই আন্দোলনৰ প্রভাৱত জাতীয় শিক্ষানুষ্ঠান গঢ়লৈ উঠিছিল। ১৯২১ চনত গুৱাহাটীত প্রথম জাতীয় শিক্ষানুষ্ঠান "তিলক সোঁৱৰণী স্কুল" প্রতিষ্ঠা কৰা হৈছিল।

(vi) এই আন্দোলনৰ ফলত অসমত কানিৰ প্রচলন একেবাৰে কমি গৈছিল আৰু তাৰ প্রভাৱত চৰকাৰৰ সংগৃহীত ৰাজহৰ পৰিমাণো কমি আহিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(vii) এই আন্দোলনৰ ফলত অসমত খাদী বস্ত্ৰৰ জনপ্ৰিয়তা বৃদ্ধিৰ লগতে চাহিদাও বৃদ্ধি পাইছিল।

(viii) অসমৰ বিভিন্ন চাহ বাগানত নিয়োজিত হৈ থকা বনুৱাসকলে তেওঁলোকৰ ওপৰত চলা ঔপনিৱেশিক শাসন আৰু শোষণৰ বিৰুদ্ধে প্ৰতিবাদ জনাইছিল। তেওঁলোকে কেইবাটাও হৰতাল পালন কৰি কাম-কাজ বন্ধ কৰি দিছিল। ১৯২১ চনত কৰিমগঞ্জ চৰাগোলা আৰু লংগাই উপত্যকাৰ প্ৰায় ৮০০০ বনুৱাই কংগ্ৰেছৰ নেতৃত্বত একেলগ হৈ ব্ৰিটিছ শাসনৰ বিৰোধিতা কৰিছিল। পিছত মালিক পক্ষই তেওঁলোকৰ ওপৰত হেঁচা প্ৰয়োগ কৰাৰ ফলত তেওঁলোক আন্দোলনৰ পৰা আঁতৰি আহিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। আইন অমান্য আন্দোলনত অসমৰ ভূমিকা সম্পৰ্কে এটি খতিয়ান দাঙি ধৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ইংৰাজ চৰকাৰৰ সমগ্ৰ প্ৰশাসন ব্যৱস্থাটো অচল কৰিবলৈ মহাত্মা গান্ধীৰ আহ্বানক্ৰমে ১৯৩০ চনত সমগ্ৰ ভাৰতত আইন আমান্য আন্দোলন আৰম্ভ হৈছিল।

অসমত হেমচন্দ্ৰ বৰুৱা, মহম্মদ তৈয়বুল্লা, বিষ্ণুৰাম মেধি, অম্বিকাগিৰী ৰায়চৌধুৰী আদিৰ নেতৃত্বত জনসাধাৰণ গুৱাহাটীৰ জৰ্জ ফিল্ডত একত্ৰিত হৈ মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা লোণ আইনৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰে। কলিকতাত পঢ়ি থকা লীলাধৰ বৰুৱাই এই দাণ্ডি যাত্ৰাত অংশগ্ৰহণ কৰিছিল।

কিন্তু পৰৱর্তী সময়ত লাহোৰ কংগ্রেছৰ সিদ্ধান্ত মতে আইন অমান্য আন্দোলনৰ কার্যসূচী পালন কৰাত অসুবিধাই দেখা দিয়ে। অসমৰ কংগ্রেছ নেতৃত্বই ঘোষণা কৰিছিল যে, অসম এনে এক বৃহৎ আন্দোলনৰ বাবে প্রস্তুত নহয়। তৰুণ ৰাম ফুকন, ৰোহিনী কুমাৰ চৌধুৰী, নবীন চন্দ্র বৰদলৈ আদি নেতাৰ আন্দোলনৰ সময়ত কোনো সক্রিয়তা নাছিল।আনহাতে, হেমচন্দ্র বৰুৱা, মহম্মদ তৈয়বুল্লা, বিষ্ণুৰাম মেধি, অম্বিকাগিৰী ৰায়চৌধুৰীৰ দৰে নিষ্ঠাৱান নেতাসকলে কোনোমতে সংগঠনৰ কাম-কাজ চলাই ৰাখিছিল। আন্দোলনৰ বিভিন্ন দিশ চাবলৈ বহুতো সমিতি আৰু উপসমিতি গঠন কৰা হৈছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

এই সমিতিবিলাকৰ উদ্দেশ্য আছিল পুজি বৃদ্ধি কৰা, বিদেশী বস্তু বর্জন কৰা, কানি আৰু সুৰাৰ ব্যৱহাৰৰ প্রতিবাদ কৰা, শোষণ আৰু দমনমূলক আইনৰ বিৰোধিতা কৰা।

অমিয় কুমাৰ দাসৰ দৰে যুৱ নেতাই ছাত্রসকলক আন্দোলনৰ লগত জড়িত কৰিবলৈ চেষ্টা চলাইছিল, যদিও প্রথম অৱস্থাত আশানুৰূপ সহাৰি পোৱা নাছিল। অৱশ্যে ১৯৩০ চনৰ ১৪ এপ্রিলত জৱাহৰলাল নেহেৰু আৰু ৫ মে'ত মহাত্মা গান্ধীক পুলিচে গ্রেপ্তাৰ কৰাৰ প্রতিবাদত এক বৃহৎ সংখ্যক ছাত্রই হৰতালত অংশ গ্রহণ কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ছাত্রসকলে শিক্ষানুষ্ঠানসমূহ বর্জন কৰিছিল । কানিংহাম চাৰ্কুলাৰ জাৰি কৰি ছাত্র আৰু তেওঁলোকৰ অভিভাৱকসকলক আন্দোলনত অংশ লোৱাৰ পৰা বিৰত ৰাখিছিল। চৰকাৰে দোষী সাব্যস্ত হোৱা সকলক জৰিমণা বিহাৰ লগতে ছাত্র বৃত্তিৰ পৰা তেওঁলোকক বঞ্চিত কৰা হ'ব বুলি ঘোষণা জাৰি কৰিছিল। চৰকাৰৰ এই প্ৰৰোচনামূলক কার্যই ছাত্রসকলক আন্দোলনত অংশ গ্রহণ কৰিবলৈ উৎসাহিতহে কৰিছিল।

১৯৩০ চনৰ জুলাই আৰু আগষ্ট মাহত ক্রমে ১৫,১৮৬ জনৰ ভিতৰত ৩১১৭ জন ছাত্রই শিক্ষানুষ্ঠান ত্যাগ কৰে। মদ আৰু কানিৰ দোকানসমূহ বন্ধ কৰি পেলোৱা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫০ শতাংশ ভূমিৰ খাজানা হ্ৰাসৰ দাবীৰে কৃষকসকলো এই আন্দোলনত জপিয়াই পৰিল।

মুঠতে ছাত্ৰসকলৰ সৰল নেতৃত্বত আইন অমান্য আন্দোলনে অসমত যথেষ্ঠ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। অসমত ভাৰত ত্যাগ আন্দোলনৰ এটি খতিয়ান দাঙি ধৰা।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ভাৰতৰ অন্য প্ৰান্তৰ দৰে অসমতো কংগ্ৰেছৰ প্ৰধান নেতাসকলক গ্ৰেপ্তাৰ কৰাৰ লগতে অসম প্ৰদেশ কংগ্ৰেছ কমিটি, জিলা কংগ্ৰেছ কমিটি অন্যান্য ঐক্যমঞ্চসমূহক অবৈধ ঘোষণা কৰা হৈছিল। সকলো ধৰণৰ সভা, হৰতাল আৰু মানুহৰ সমাগম নিষিদ্ধ কৰা হৈছিল। অসমত আন্দোলন অহিংসা পদ্ধতিৰে হৰতাল, শোভাযাত্ৰা, সমাৱেহ আৰু পিকেটিং আদিৰ জৰিয়তে আৰম্ভ হৈছিল। জেলত থকা নেতাসকলৰ ওপৰত পুলিচৰ অত্যাচাৰে সীমা চেৰাই গৈছিল। ইয়াৰ পৰিণতিতে আন্দোলনটো হিংসাত্মক হৈ উঠে।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

আন্দোলনকাৰীসকলে চৰকাৰী ঘৰ-দুৱাৰ নষ্ট কৰাৰ লগতে সামৰিক অস্ত্র-শস্ত্র সৰবৰাহী পথসমূহ ধ্বংস কৰি দিয়ে। নগাওঁ আৰু দৰঙত চৰকাৰী সা-সম্পত্তি ধ্বংস কৰাৰ লগতে চৰকাৰী বিষয়াক হাৰাশাস্তি কৰা হৈছিল। গোলাঘাটৰ সৰুপথাৰ, কামৰূপৰ পাণবাৰী, ৰঙিয়া, শিৱসাগৰৰ চাফ্রাইত ৰে'লপথ বগৰুৱাৰ ঘটনা সংঘটিত হৈছিল।আন্দোলনকাৰীসকলক প্রশমিত কৰিবলৈ ব্রিটিছে দমনমূলক নীতি গ্রহণ কৰিছিল। শ শ নিৰপৰাধী লোক পুলিচৰ লাঠিৰ কোবত আহত হৈছিল। নগাওঁ, বঢ়মপুৰ, গহপুৰ, বেবেজীয়া, ঢেকীয়াজুলী, পাটাছাৰকুছি আৰু গোৱালপাৰা আদি বিভিন্ন ঠাইত প্রায় ২৭ গৰাকী প্রতিবাদকাৰী শ্বহীদ হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

গহপুৰত ১৪ বছৰীয়া এগৰাকী কিশোৰী (কনকলতা বৰুৱা)য়ে এই আন্দোলনত আত্মবলিদান দিছিল। হাজাৰ হাজাৰ লোকক জেলত ভৰোৱা হৈছিল।সৰুপথাৰত ৰে'ল বগৰোৱাৰ অপৰাধত কুশল কোঁৱৰক ফাঁচি দিয়া হৈছিল। চৰকাৰে আন্দোলনকাৰী ৰাইজৰ অসামৰিক অধিকাৰ, বাক স্বাধীনতা, সংবাদ মাধ্যমৰ স্বাধীনতা খর্ব কৰিছিল। আন্দোলনৰ নেতাসকলক বহিঃবিশ্বৰ সৈতে যোগাযোগ বন্ধ কৰি দিয়া হৈছিল। জেলৰ বাহিৰত থকা কিছুমান নেতাই আত্মগোপন কৰি এই আন্দোলনটো আগবঢ়াই নিবলৈ চেষ্টা কৰিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অসমত এই আত্মগোপনকাৰী সংগঠনৰ নেতৃত্ববহন কৰিছিল শংকৰ চন্দ্ৰ বৰুৱা, মহেন্দ্ৰনাথ হাজৰিকা, জ্যোতি প্ৰসাদ আগৰৱালা, লক্ষ্মীপ্ৰসাদ গোস্বামী, ব্ৰজনাথ শৰ্মা, গহনচন্দ্ৰ গোস্বামীয়ে। এনে সংগঠন শিৱসাগৰ, নগাঁও, দৰং, কামৰূপ, বজালী আদি অঞ্চলত গঢ় লৈ উঠিছিল। আন একাংশ আন্দোলনকাৰীয়ে ব্ৰিটিছৰ সমান্তৰালকৈ অসমৰ বিভিন্ন প্ৰান্তত চৰকাৰ গঠন কৰিছিল। অসমৰ বজালী, ঢকুৱাখানা, ৰহা, জামুগুৰী, বাঁহজানি আদি ঠাইত আন্দোলনকাৰীয়ে গাওঁ পঞ্চায়ত গঠন কৰি স্থানীয় শাসন ব্যৱস্থা গঢ়ি তুলিছিল। কংগ্ৰেছৰ নেতাসকলে কাৰাবাস খাতি থকাৰ সময়তে ১৯৪৪ চনত ইংৰাজ চৰকাৰে সৰ্বশক্তি প্ৰয়োগ কৰি আন্দোলনৰ জুই প্ৰশমিত কৰিছিল।

১১। বৰদলৈ মন্ত্ৰীসভাৰ নেতৃত্বত অসমত স্থাপিত হোৱা শিক্ষানুষ্ঠানসমূহৰ বিষয়ে এটি সংক্ষিপ্ত বিৱৰণ দিয়া।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- **অসম কৃষি বিশ্ববিদ্যালয়ঃ-** ১৯২৩ চনত কৰিমগঞ্জত আৰু তাৰ পিছত তিতাবৰত অন্য এক কৃষি গৱেষণা কেন্দ্ৰৰ প্ৰতিষ্ঠাই অসম কৃষি বিশ্ববিদ্যালয়ৰ আৰম্ভণি পদক্ষেপ আছিল। এই কেন্দ্ৰসমূহে যদিও গৱেষণা আৰু প্ৰশিক্ষণ আবিৰামভাৱে চলাই গৈছিল তথাপি এখন সুকীয়া কৃষি আৰু পশু মহাবিদ্যালয়ৰ আৱশ্যকীয় হৈ পৰিছিল। তাৰে পৰিপ্ৰেক্ষিতত বৰদলৈ মন্ত্ৰীসভাৰ দিনত ১৯৪৮ চনত নগাঁওত অসম পশু মহাবিদ্যালয় আৰু যোৰহাটত অসম কৃষি মহাবিদ্যালয় স্থাপন কৰা হৈছিল। এই দুয়োখন মহাবিদ্যালয় সামৰি ১৯৬৯ চনত অসম কৃষি বিশ্ববিদ্যালয় স্থাপন কৰা হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

অসম কৃষি বিশ্ববিদ্যালয় উত্তৰ-পূৱৰ একমাত্ৰ আৰু প্ৰথম বৃত্তিমুখী বিশ্ববিদ্যালয়।

এই বিশ্ববিদ্যালয়ৰ মূল উদ্দেশ্যসমূহ হৈছে —

(ক) কৃষিত মানৱ সম্পদৰ বিকাশ সাধন কৰা।

(খ) কৃষিত বিকাশৰ বাবে নিৰন্তৰ গৱেষণা কৰা।

(গ) প্ৰযুক্তিবিদ্যাৰ উন্নতি আৰু ইয়াৰ ৰাজহুৱা প্ৰচাৰ কৰা।

(ঘ) কৃষিখণ্ডত প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰ প্ৰসাৰিত কৰা।

(ঙ) কৃষিখণ্ডৰ লগত জড়িত সকলো শ্ৰেণীৰ লোকৰ মাজত এক সামঞ্জস্য ৰক্ষা কৰা আৰু খাদ্যৰ ক্ষেত্ৰত নিৰাপত্তাৰ সৃষ্টি কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

গুৱাহাটী বিশ্ববিদ্যালয়ঃ- উত্তৰ-পূৰ ভাৰতৰ আটাইতকৈ পুৰণি আৰু প্ৰথমখন ৰাজহুৱা বিশ্ববিদ্যালয় হ'ল গুৱাহাটী বিশ্ববিদ্যালয়। ১৯৪৮ চনৰ ২৬ জানুৱাৰী তাৰিখে এই বিশ্ববিদ্যালয়খন স্থাপন কৰা হৈছিল। গুৱাহাটীত বিশ্ববিদ্যালয় স্থাপন কৰাৰ সম্ভৱ বুলি পোনতে মত প্ৰকাশ কৰিছিল কলিকতা বিশ্ববিদ্যালয় আয়োগৰ অধ্যক্ষ ছাৰ মাইকেল ছেডলাৰে। এই সম্পৰ্কত ১৯১৭ চনত শিৱসাগৰত অনুষ্ঠিত আছাম এছ'চিয়েচনৰ বাৰ্ষিক সভাতো এখন বিশ্ববিদ্যালয় স্থাপনৰ বাবে ৰাজহুৱা দাবী উত্থাপিত হৈছিল। পৰৱৰ্তী সময়ত যাবতীয় তথ্যপাতি আৰু স্থান নিৰ্বাচন কৰিবলৈ ১৯৪০ চনত

সূর্য কুমাৰ ভূঞাক বিশেষ বিষয়া হিচাপে নিযুক্তি দিয়া হৈছিল। অসম চৰকাৰৰ গুৱাহাটী বিশ্ববিদ্যালয় অধিনিয়ম ১৯৪৭ ৰ অধীনত ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হয়। প্রতিষ্ঠাকালত ইয়াৰ অধীনত ১৭ খন মহাবিদ্যালয় আৰু ৮ টি স্নাতকোত্তৰ বিভাগ আছিল।

অসম চিকিৎসা মহাবিদ্যালয়ঃ- ডিব্রুগড়ত উত্তৰ-পূৱ ভাৰতৰ প্রথমখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হৈছিল। ১৯০০ চনত ডিব্রুগড়ত ডঃ জন বেৰী হোৱাটৰ ৫০,০০০ টকাৰ অনুদানৰ পুঁজিৰে "বেৰী হোৱাইট মেডিকেল স্কুল" স্থাপন হৈছিল। ডঃ জন বেৰী হোৱাট আছিল লখিমপুৰৰ চিভিল ছার্জন।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৯১০ চনত এই চিকিৎসা বিদ্যালয়খনৰ বাবে ইংলেণ্ডৰ পৰা দুটা এক্স-ৰে মেচিন আমদানি কৰি অনা হৈছিল আৰু ৰেডিঅ'লজী বিভাগ আৰম্ভ কৰা হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত এই বিদ্যালয়খন ওচৰৰে এখন চিকিৎসালয়ৰ চৌহদলৈ স্থানান্তৰিত কৰা হৈছিল। যিখন যুদ্ধৰ সময়ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈন্য বাহিনীয়ে ব্যৱহাৰ কৰিছিল। স্বাধীনতাৰ পিছত ১৯৪৭ চনৰ ৩ নৱেম্বৰ তাৰিখে এই বিদ্যালয়খনক আনুষ্ঠানিকভাৱে "অসম চিকিৎসা মহাবিদ্যালয়" নামেৰে নামাংকিত কৰা হয়।